**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-2-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
---------------------------

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত বিদেশী বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ উদ্দেশ্যে ছিংগাপুৰ ভ্ৰমণলৈ যোৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দেশখনৰ ছুৰবানা জুৰঙ উদ্যোগৰ মুখ্য কাৰ্যবাহী বিষয়া লো চেৰ একৰ সৈতে আলোচনাত মিলিত হয়। ড০ শৰ্মাই বিষয়াগৰাকীৰ সৈতে অনাগত দিনত অসমক নগৰ উন্নয়নৰ লক্ষ্যৰে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সহযোগিতামূলক প্ৰচেষ্টা সন্দৰ্ভত আলোচনা কৰে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী শৰ্মাই ছিংগাপুৰৰ ছেমিকণ্ডাক্টৰ উদ্যোগৰ নেতাসকলৰ সৈতে ফলপ্ৰসূ আলোচনাত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে উদ্যোগপতিসকলক জাগীৰোডত হ'বলগীয়া ইলেকট্ৰনিক ছিটিৰ অংশীদাৰ হ'বলৈ আহ্বান জনায়।

উল্লেখযোগ্য যে  যোৱা নিশা ছিংগাপুৰত উপস্থিত হোৱা  মুখ্যমন্ত্ৰীগৰাকীক ভাৰতৰ উচ্চায়ুক্ত ড০ শিল্পক আম্বুলেই আদৰণি জনায়। এই ভ্ৰমণৰ সময়ছোৱাত মুখ্যমন্ত্ৰীগৰাকীয়ে এটা ৰোড শ্ব'তো অংশগ্ৰহণ কৰাৰ লগতে বাণিজ্যিক সহযোগিতা আৰু বিনিয়োগৰ সুযোগ অন্বেষণ কৰিবলৈ প্ৰতিষ্ঠিত উদ্যোগপতিসকলৰ সৈতে কেইবাখনো পৃথক বৈঠকত অংশগ্ৰহণ কৰিব। অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে হ'বলগীয়া এডভাণ্টেজ আছামৰ বাবে ৰাজ্যত ব্যাপক প্ৰস্তুতি চলি আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপৰি কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰী আৰু ভালেসংখ্যক দেশী-বিদেশী উদ্যোগীয়ে অংশগ্ৰহণ কৰিবলগীয়া এই সন্মিলনখন নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

oooooo

এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনত আইন-শৃংখলা ব্যৱস্থা শক্তিশালী কৰি তোলা হৈছে। এই সন্মিলনৰ বাবে আৰক্ষীয়ে গুৱাহাটীত শোভাযাত্ৰা, সমদল আদি নিষিদ্ধ ঘোষণা কৰিছে। মহানগৰ আৰক্ষীয়ে কালি এটা নিৰ্দেশ যোগে এই বিষয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে এনেধৰণৰ শোভাযাত্ৰা, সমদলকে ধৰি সমূহীয়া কাৰ্যসূচীৰ ফলত মহানগৰীত ভীষণ যান-জটৰ সৃষ্টি হোৱাৰ প্ৰতি লক্ষ্য ৰাখি সন্মিলনৰ পূৰ্বে এনেধৰণৰ কাৰ্যসূচী নিষিদ্ধ কৰা হৈছে। উল্লেখযোগ্য যে কালি কেইবাগৰাকীও মন্ত্ৰীয়ে পৰ্যালোচনা বৈঠকত অংশ লৈ ৰাজ্যৰ নিৰাপত্তা আৰু সুৰক্ষাজনিত দিশসমূহৰ বুজ লোৱাৰ লগতে কোনো ক্ষেত্ৰতে যাতে অভ্যাগতসকল সমস্যাৰ সন্মুখীন নহয় সেই কথা নিশ্চিত কৰিবলৈ নিৰ্দেশ দিছিল।

oooooo

সমগ্ৰ দেশে আজি পণ্ডিত দিন দয়াল উপাধ্যায়ক তেওঁৰ মৃত্যু বাৰ্ষিকীক শ্ৰদ্ধাৰে সুঁৱৰিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা কে ধৰি দলৰ আন আন নেতাসকলে নতুন দিল্লীৰ দলৰ মুখ্যকাৰ্যালয়ত পণ্ডিত দিনদয়াল উপাধ্যায়ৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে

দিনদয়াল উপাধ্যায়ক শ্ৰদ্ধাৰে সুঁৱৰি কয়, যে তেওঁ ৰাষ্ট্ৰ নিৰ্মাণত নিঃস্বাৰ্থ সেৱা আগবঢ়াই থৈ গৈছে। সমাজৰ পিছ পৰা শ্ৰেণী, তৃণমূল পৰ্যায়ৰ সংস্থাসমূহৰ উন্নয়নৰ জৰিয়তে সৰ্বাংগীন উন্নয়নৰ হকে কাম কৰা পণ্ডিত দিনদয়াল উপাধ্যায়ৰ আদৰ্শই সদায় অনুপ্ৰাণিত কৰি আহিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি গুৱাহাটীৰ নাৰেংগীত আয়োজিত এটা কাৰ্যসূচীত বিদ্যালয় শিক্ষাৰ ২০২৫-২৬ বৰ্ষৰ বিনামূলীয়া পাঠ্যপুথি বিতৰণ কাৰ্য্যৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ অধ্যক্ষ দেৱানন্দ হাজৰিকাও উপস্থিত থাকে। ৰাজ্য চৰকাৰৰ বিনামূলীয়া পাঠ্যপুথি আঁচনিৰ অধীনত ১৯টা ভাষা আৰু ৯ টা মাধ্যমত তিনি কোটি ৪১ লাখ ৭৮ হাজাৰ ৫৮১ খন বিনামূলীয়া পাঠ্যপুথি প্ৰকাশ কৰা হৈছে। (ক) শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ ৫২ লাখ ৯১ হাজাৰ ৭০৭ গৰাকী শিক্ষাৰ্থীৰ মাজত এই পাঠ্যপুথিসমূহ বিতৰণ কৰা হ'ব।

০০০০০০

পৰহিলৈৰ পৰা হ'বলগীয়া হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন জিলাসমূহত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰা হৈছে। সেই অনুসৰি পৰীক্ষা কেন্দ্ৰসমূহৰ ৫০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত জনসাধাৰণৰ সমাগম নিষিদ্ধ কৰা হৈছে। ইয়াৰ লগতে পৰীক্ষাৰ্থীসকলে মোবাইল ফোন, স্মাৰ্ট ঘড়ী, ইলেকট্ৰনিক পেন, কেলকুলেটৰ আদি সামগ্ৰী লৈ পৰীক্ষা কেন্দ্ৰত প্ৰৱেশ কৰিব নোৱাৰিব। পৰীক্ষা ব্যৱস্থাৰ স্বচ্ছতা, সততা আৰু শৃংখলাবদ্ধতা বৰ্তাই ৰখাৰ উদ্দেশ্যে এই নিষেধাজ্ঞা জাৰি কৰা হৈছে।

০০০০০০

নগাঁৱৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ে প্ৰথমবাৰৰ বাবে আজিৰে পৰা দুদিনীয়াকৈ শৈক্ষিক মেলাৰ আয়োজন কৰিছে। দেশৰ আগশাৰীৰ ১৫ খন বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ে এই মেলাত অংশ লৈছে। আজি পুৱা বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক মৃদুল হাজৰিকাই শিক্ষা মেলাখন মুকলি কৰে। মেলাৰ অংশ হিচাপে তিনিখন আলোচনাসত্ৰৰ আয়োজন কৰা হৈছে। উচ্চ শিক্ষাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক পৰামৰ্শ দানৰ বাবে আয়োজিত এই মেলাত ফেশ্বন ডিজাইনিং, এনিমেছন, বিমান পৰিবহন, পৰ্যটনকে ধৰি বিভিন্ন নতুন পাঠ্যক্ৰম সম্পৰ্কে আভাস দিয়া হ'ব। মেলাৰ আয়োজক সমিতিয়ে ৰাজ্যৰ কেইবাখনো মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ লগতে ব্যক্তিগত শিক্ষানুষ্ঠানকো এই মেলালৈ আমন্ত্ৰণ জনাইছে।

০০০০০০

মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙৰ পদত্যাগৰ পাছত ৰাজ্যখনত পৰৱৰ্তী মুখ্যমন্ত্ৰী বাচনি তথা শেহতীয়া ৰাজনৈতিক পৰিস্থিতি সন্দৰ্ভত বিজেপিৰ নেতা সম্বিত পাত্ৰই ৰাজ্যখনত দলীয় বিধায়কসকলৰ সৈতে কালি এখন বৈঠকত মিলিত হয়। শ্ৰী পাত্ৰই মণিপুৰ বিধানসভাৰ অধ্যক্ষ আৰু বিজেপিৰ বিধায়ক থকচম সত্যব্ৰতৰ সৈতে কালি ৰাজ্যখনৰ ৰাজনৈতিক পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰে। ইয়াৰ পাছতে বিজেপি নেতাগৰাকীয়ে আন কেইবাগৰাকীও বিধায়কৰ সৈতে আলোচনাত মিলিত হয়। এই আলোচনাৰ পাছত মণিপুৰৰ ৰাজ্যিক বিজেপি সূত্ৰই প্ৰকাশ কৰা মতে দলৰ কেন্দ্ৰীয় নেতৃত্বই ৰাজ্যখনৰ পৰিস্থিতি সন্দৰ্ভত শীঘ্ৰে সিদ্ধান্ত গ্ৰহণ কৰিব। সূত্ৰটোৱে প্ৰকাশ

কৰা মতে ৰাজ্যখনত শান্তি আৰু সম্প্ৰীতি অক্ষুণ্ণ ৰখাটো অগ্ৰাধিকাৰৰ বিষয় হিচাপে লোৱা হৈছে। আমাৰ আগৰ বাতৰিত কোৱা হৈছে, যে মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙে দেওবাৰে ৰাজ্যপাল অজয় কুমাৰ ভাল্লাক সাক্ষাৎ কৰি পদত্যাগ পত্ৰ দাখিল কৰিছিল। ৰাজ্যপাল গৰাকীয়ে মুখ্যমন্ত্ৰীগৰাকীক পৰৱৰ্তী মুখ্যমন্ত্ৰী বাচনি নকৰা পৰ্যন্ত দায়িত্বৱাহী মুখ্যমন্ত্ৰী হিচাপে কাৰ্যভাৰ চলাই যাবলৈ আহ্বান জনোৱাৰ লগতে এই সন্দৰ্ভত কেন্দ্ৰলৈ প্ৰতিবেদন প্ৰেৰণ কৰিছিল। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰীগৰাকীৰ পদত্যাগৰ পৰিপ্ৰেক্ষিতত কালি হ'বলগীয়া মণিপুৰ বিধানসভাৰ অধিৱেশনো বাতিল কৰা হৈছিল।

oooooo

**সমাপ্ত**